
অসম

ভুৱা দশম শ্ৰেণীৰ প্ৰমাণপত্ৰেৰে একাদশত ৪,৯৩৪ শিক্ষাৰ্থীৰ নামভৰ্তি

চিআইএছচিইৰ নামত ভুৱা প্ৰমাণপত্ৰ দাখিল কৰি একাদশ শ্ৰেণীত নামভৰ্তিৰ অভিযোগ। ঘটনাটোৰ তদন্ত চলাইছে চিআইডিয়ে।

প্ৰকাশ: ১২ নৱেম্বৰ ২০২৬, পুৱা ১০:৪৭



গুৱাহাটী, ১১ নৱেম্বৰ: চিআইএছচিইৰ নামত জাৰি হোৱা বুলি কোৱা ভুৱা দশম শ্ৰেণীৰ উত্তীৰ্ণ প্ৰমাণপত্ৰ ব্যৱহাৰ কৰি অসমৰ ৪,৯৩৪জন শিক্ষাৰ্থীয়ে একাদশ শ্ৰেণীত নামভৰ্তি কৰাৰ অভিযোগ উত্থাপিত হৈছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ দ্বিতীয় বিভাগে এই তথ্য পোহৰলৈ আনিছে।

পৰিষদে ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগৰ আয়ুক্ত আৰু সচিবলৈ প্ৰেৰণ কৰা পত্ৰত জনাইছে যে, ২০২৫-২৬ শিক্ষাবৰ্ষত একাদশ শ্ৰেণীত নামভৰ্তি কৰা ২,০৮৩জন আৰু ২০২৬-২৭ শিক্ষাবৰ্ষত নামভৰ্তি কৰা ২,৮৫১জন শিক্ষাৰ্থীয়ে এনে প্ৰমাণপত্ৰ দাখিল কৰিছিল। এই প্ৰমাণপত্ৰসমূহ জাৰি কৰা প্ৰতিষ্ঠানবোৰ চিআইএছচিইৰ সৈতে সংযুক্ত নহয় বুলি পৰিষদে উল্লেখ কৰিছে।

চিআইএছচিইৰ সৈতে সংযুক্ত বিদ্যালয়ৰ তালিকা পৰীক্ষা কৰি পৰিষদে অসম আৰু অৰুণাচল প্ৰদেশত এনে বিদ্যালয়ৰ সংখ্যা মাত্ৰ ২৮খন বুলি জানিব পাৰিছে। কিন্তু আন কেইবাটাও প্ৰতিষ্ঠানে চিআইএছচিইৰ নামত প্ৰমাণপত্ৰ জাৰি কৰাৰ অভিযোগ উঠিছে।

© 2026 NewzNow

শিক্ষামন্ত্রী ডাঃ ৰণোজ পেগুৰে কয় যে, ঘটনাটোৰ তদন্ত চিআইডিয়ে চলাইছে। প্রমাণপত্রসমূহ ভুৱা বুলি প্রমাণিত হ'লে সংশ্লিষ্ট শিক্ষার্থীসকলৰ নামভর্তি বাতিল কৰা হ'ব। এনে প্রমাণপত্রেৰে নামভর্তি কৰা অধিকাংশ শিক্ষার্থী নগাঁও জিলাৰ বুলি তেওঁ জনায়।

পৰিষদে প্রমাণপত্রসমূহক ভুৱা বা জাল বুলি অভিহিত কৰি সেইবোৰ দাখিল কৰা শিক্ষার্থী আৰু প্রমাণপত্র জাৰি কৰাৰ অভিযোগ থকা প্রতিষ্ঠানসমূহক এই অবৈধ কার্যৰ বাবে দায়ী কৰিছে। ২০২৬-২৭ শিক্ষাবর্ষত একাদশ শ্রেণীত নামভর্তি কৰা শিক্ষার্থীসকলৰ পঞ্জীয়ন ইতিমধ্যে বন্ধ কৰি দিয়া হৈছে।

সংশ্লিষ্ট জিলাসমূহৰ বিদ্যালয় পৰিদর্শকসকলক অভিযোগ থকা প্রতিষ্ঠানসমূহৰ বিৰুদ্ধে এজাহাৰ দাখিলসহ আইনী ব্যৱস্থা ল'বলৈ নির্দেশ দিবলৈও পৰিষদে ৰাজ্য চৰকাৰক অনুৰোধ জনাইছে। ২০২৫-২৬ আৰু ২০২৬-২৭ শিক্ষাবর্ষত এনে প্রমাণপত্রৰ ভিত্তিত নামভর্তি কৰা শিক্ষার্থীসকলৰ পৰৱর্তী পঢ়াশুনা বন্ধ ৰাখিবলৈ সংশ্লিষ্ট প্রতিষ্ঠানসমূহক পৰামর্শ দিয়াৰ কথাও কোৱা হৈছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2215/assam-fake-certificates-class-11-admissions